**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 29-07**-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**----------------------------**

০০০০০০

গোলাঘাটৰ উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত আজি পুৰা  আৰক্ষী, চি আৰ পি এফ আৰু বন বিভাগে উচ্ছেদ অভিযান আৰম্ভ কৰিছে। কেইবাটাও পৰ্যায়ত চলিবলগীয়া এই অভিযানত দুহেজাৰ ৬০০ৰো অধিক পৰিয়ালক উচ্ছেদ কৰাৰ লগতে প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে। প্ৰশাসনে অঞ্চলটোত উচ্ছেদৰ বাবে এশৰো অধিক এক্সকেভেটৰ ব্যৱহাৰ কৰিছে। বন বিভাগৰ জাননী পোৱাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৭০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে।

উচ্ছেদৰ পূৰ্বে বন বিভাগে সোণাৰী বিল, মধুপুৰ, খেৰবাৰী, পিঠাঘাটকে ধৰি অন্যান্য গাঁওসমূহত বসতি কৰা লোকসকলক কালিৰ ভিতৰত অঞ্চলটো খালী কৰি দিবলৈ অন্তিমবাৰৰ বাবে সকিয়াই দিছিল। ইপিনে, মেৰাপানীৰ সমীপৰ দুই নম্বৰ নেঘেৰিবিল গাঁৱতো উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসন সাজু হৈছে।

নগাঁও জিলাতো হাতীচোং মৌজাৰ দুটা স্থানত প্ৰশাসনে উচ্ছেদ চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰি দখলকাৰীলৈ জাননী জাৰি কৰিছে। এই জাননীৰ জৰিয়তে লোকসকলক সংৰক্ষিত বনভূমি ত্যাগ কৰাৰ নিৰ্দেশ দিয়া হৈছে।

০০০০০০

যোৰহাট জিলাৰ আয়ুক্ত জয় শিৱানীয়ে আজি লাহিং শুকানজান আৰু যোৰহাট কেন্দুগুৰি ভ্ৰমণ কৰি টীয়ক আৰু মৰিয়নিৰ প্ৰস্তাৱিত অস্থায়ী সমজিলা আয়ুক্ত কাৰ্যালয়ৰ স্থান পৰিদৰ্শন কৰে। আয়ুক্তগৰাকীয়ে অস্থায়ী সমজিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ো পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে ৰাজ্য মন্ত্ৰীসভাৰ অনুমোদন অনুসৰি  আগষ্টৰ পৰা টীয়ক আৰু মৰিয়নিৰ সম-জিলা আয়ুক্তৰ কাৰ্যালয়ৰ কাম-কাজ আৰম্ভ হ’ব। পৰিদৰ্শনকালত আয়ুক্তগৰাকীৰ সৈতে জিলা উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ, অতিৰিক্ত জিলা আয়ুক্ত, ৰাজহ চক্ৰ বিষয়া, লোকনিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ লগতে বহু বিষয়া উপস্থিত থাকে।

০০০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে মথাউৰি নিৰ্মাণৰ বাবে ভূমি অধিগ্ৰহণৰ ৩২ বছৰ পাছতো ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ ২৫ টা পৰিয়ালে ক্ষতিপূৰণ নোপোৱা বিষয়টো সন্দৰ্ভত ৰাজ্য চৰকাৰক জাননী জাৰি কৰিছে। বুঢ়ীদিহিং নৈৰ মথাউৰি নিৰ্মাণৰ নামত নাহৰকটীয়া ৰাজহ চক্ৰৰ টকৌবিল গাঁৱৰ ২৫ টা পৰিয়ালৰ অধিগ্ৰহণ হোৱা ভূমিৰ বাবদ ক্ষতিপূৰণ আদায় নিদিয়াক লৈ পৰিয়ালকেইটাই গুৱাহাটী উচ্চ ন্যায়ালয়ত লেখ আবেদন দাখিল কৰিছিল। এই আবেদনৰ ভিত্তিত ন্যায়ালয়ে ৰাজ্য চৰকাৰক জাননী জাৰি কৰে। উল্লেখযোগ্য যে ডিব্ৰুগড় জিলা প্ৰশাসনে ১৯৯৩ চনতে এই লোকসকলৰ পৰা  জাননীবিহিনভাৱে ২৬ বিঘাৰো অধিক ভূমি অধিগ্ৰহণ কৰা বুলি পৰিয়ালসমূহে অভিযোগ তুলিছিল।

০০০০০০০

চিৰাং জিলাৰ ৫০ খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৫০ গৰাকী ছাত্ৰ-ছাত্ৰীক কালি গুৱাহাটীৰ বিভিন্ন স্থানলৈ শিক্ষামূলক ভ্ৰমণৰ বাবে প্ৰেৰণ কৰা হয়। ৰাজ্য চৰকাৰৰ **আৰোহণ আঁচনি ২০২৫**ৰ অধীনত এই কাৰ্যসূচী গ্ৰহণ কৰা হয়। ভ্ৰমণৰ পূৰ্বে জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়ুক্ত যতিন বৰাই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে মত বিনিময় কৰি ভ্ৰমণৰ সবিশেষ অৱগত কৰে। এই অনুষ্ঠানত চিৰাঙৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক বিজয় বৈষ্ণৱো উপস্থিত থাকে। আয়ুক্তগৰাকীয়ে সভাত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক একোটা ফ্লাছ্ প্ৰদান কৰে। শিক্ষামূলক ভ্ৰমণৰ বাবে যোৱা দলটোত এজন দণ্ডাধীশ, আৰক্ষী লোক, চিকিৎসকৰ দলসহ দুগৰাকী শিক্ষক আৰু দুগৰাকী শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

শিৱসাগৰ জিলা শিশু কল্যাণ আৰু সুৰক্ষা সমিতিৰ চলিত বৰ্ষৰ প্ৰথম ত্ৰিমাসিক বৈঠকখন কালি অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত মিতালী দুৱৰাৰ অধ্যক্ষতাত এই বৈঠকখন অনুষ্ঠিত হয়। জিলাখনৰ শিশু যতন গৃহৰ আৱাসিক শিশুসকলক ভৱিষ্যতে আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলাৰ লক্ষ্যৰে শিক্ষা বিভাগৰ লগতে অন্যান্য বৃত্তিমুখী আৰু কাৰিকৰী প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহক বিশেষ প্ৰশিক্ষণ কাৰ্যসূচী আৰু কৰ্মশালাৰ আয়োজন কৰিবলৈ এই বৈঠকত আহ্বান জনোৱা হয়। আনহাতে বিশেষভাৱে সক্ষম শিশুসকলৰ বাবে তেওঁলোকৰ অৱস্থাৰ অনুকূলে প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰো পোষকতা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে শিশু সুৰক্ষা গৃহ, কৌমুদালয়ৰ আৱাসীসকলৰ আধাৰকাৰ্ডৰ ব্যৱস্থা শীঘ্ৰে সুনিশ্চিত কৰিবলৈও নিৰ্দেশ দিয়ে।

০০০০০০

গোলাঘাট জিলাৰ বোকাখাতত কালিৰে পৰা সদৌ অসম ৰাজ্যিক তৃতীয় বাৰ্ষিক টাইকোৱানড' প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। গোলাঘাট জিলা টাইকোৱানড' সন্থাৰ উদ্যোগত বোকাখাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুকলি মঞ্চত চাৰিদিনীয়াকৈ এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ছাব জুনিয়ৰ আৰু ছিনিয়ৰ শাখাত অনুষ্ঠিত এই প্ৰতিযোগিতাত ৰাজ্যৰ ৩১ জিলাৰ ৭৫০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। এই প্ৰতিযোগিতাত বিজয়ীসকলে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুযোগ লাভ কৰিব। ইপিনে অহা ১৫, ১৬ আৰু ১৭ আগষ্টত যোৰহাটত ভাৰতীয় টাইকোৱানড'ৰ অন্তৰ্গত মহিলা খেলুৱৈসকলক লৈ খেলো ইণ্ডিয়া আচমিকা লীগ অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০০০

**সমাপ্ত**